**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 27-05-2026
**Time :** 21-25 Hrs

# ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

ষোড়শ অসম বিধানসভাৰ প্ৰথমখন অধিৱেশনৰ আজি অন্তিম দিনা বহুচৰ্চিত উমৈহতীয়া দেৱানী বিধি সম্পৰ্কীয় বিধেয়কখন ধ্বনি ভোটত গৃহীত হয়। ইয়াৰ পূৰ্বে বিধেয়কখন সন্তৰ্ভত হোৱা আলোচনাত অংশ লৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে উমৈহতীয়া দেৱানী বিধিৰ এটা সুদীৰ্ঘ ইতিহাস আছে আৰু ভাৰতত ২০২৫ চনৰ পৰাই এই বিধি সন্দৰ্ভত কাম-কাজ অব্যাহত আছে। বহু বিবাহ সভ্য সমাজৰ প্ৰথা হ'বই নোৱাৰে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে ধৰ্ম নিৰপেক্ষ দেশত সংবিধানৰ শাসনহে চলিব বুলি মন্তব্য কৰে। জনজাতীয় লোকৰ নিজস্ব নিয়ম আছে বুলি উল্লেখ কৰি ড০ শৰ্মাই কয় যে জনজাতীয় সমাজে বহু বিবাহক কেতিয়াও স্বীকৃতি নিদিয়ে আৰু সেয়েহে তেওঁলোকক উমৈহতীয়া দেৱানী বিধিৰ আওঁতাৰ বাহিৰত ৰখা হৈছে।

০০০০

উৎকোচ লোৱাৰ গোচৰত গ্ৰেপ্তাৰ হোৱা ভূমিলেখ্য তথা জৰীপ অধিকৰ্তা কাৰ্যালয়ৰ সহকাৰী সঞ্চালক, অসম অসামৰিক সেৱাৰ বিষয়া লাচিত কুমাৰ দাসক আজি বিশেষ ন্যায়াধীশৰ আদালতে ৪ দিনৰ বাবে দূৰ্নীতি নিৰীক্ষণ আৰু নিবাৰণ সঞ্চালকালয়ৰ জিম্মালৈ প্ৰেৰণ কৰে। গ্ৰেপ্তাৰ হোৱাৰ পাছতে কোটি টকাৰো অধিক ধন উদ্ধাৰ হোৱাৰ পৰিপ্ৰেক্ষিতত আদালতে অভিযুক্ত লাচিত কুমাৰ দাসক ন্যায়িক জিম্মাৰ পৰা তদন্তকাৰী সংস্থাৰ জিম্মালৈ প্ৰেৰণ কৰে। উল্লেখযোগ্য যে ৪৫ হাজাৰ টকা উৎকোচ লৈ গ্ৰেপ্তাৰ হোৱা অভিযুক্ত দাসৰ বাসগৃহৰ পৰা দূৰ্নীতি নিৰীক্ষণ আৰু নিবাৰণ সঞ্চালকালয়ৰ দলে ১ কোটিৰো অধিক টকা জব্দ কৰিছিল।

ইপিনে, বিশেষ ন্যায়াধীশৰ আদালতে মীন নিগমত ২৫ কোটি টকা কেলেংকাৰীৰ গোচৰত গ্ৰেপ্তাৰ হোৱা অসম চৰকাৰৰ যুটীয়া সচিব তথা নিগমৰ প্ৰাক্তন পৰিচালন সঞ্চালক নৰেন চন্দ্ৰ বসুমতাৰী আৰু প্ৰকল্প সঞ্চালক ভগীৰথ দাসক আজি ছদিনৰ বাবে দূৰ্নীতি নিৰীক্ষণ আৰু নিবাৰণ সঞ্চালকালয়ৰ জিম্মালৈ প্ৰেৰণ কৰে।

০০০০

ৰাজ্যৰ বিভিন্ন জিলাত লোকপিয়ল ২০২৭ৰ প্ৰথম পৰ্যায়ৰ গৃহ তালিকা আৰু গৃহ পিয়ল সম্পৰ্কীয় প্ৰশিক্ষণ আৰম্ভ হৈছে।

গোৱালপাৰা জিলাত লোকপিয়লত নিয়োজিত বিষয়াসকলৰ বাবে আজিৰে পৰা তিনিদিনীয়াকৈ প্ৰশিক্ষণ অনুষ্ঠিত হৈছে। গোৱালপাৰা পশ্চিম সমজিলা কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত প্ৰশিক্ষণ কাৰ্যসূচীত জিলা আয়ুক্ত প্ৰদীপ টিমুং, জিলা লোকপিয়ল বিষয়া নৱজিৎ পাঠক, দুধনৈৰ আয়ুক্ত অৰুণ কুমাৰ ব্ৰহ্মকে ধৰি কেইবাগৰাকী বিষয়া উপস্থিত থাকে।

ধুবুৰী জিলাতো ৩ দিনীয়াকৈ লোকপিয়লৰ প্ৰশিক্ষণ আৰম্ভ হৈছে। লোকপিয়ল আয়োগৰ উপ মহা পঞ্জীয়ক ভাৰতী চন্দ্ৰ আৰু মুখ্য লোকপিয়ল কাৰ্যালয়ৰ মূল প্ৰশিক্ষক কিশোৰ কুমাৰ দাসে পৰিচালনা কৰা কাৰ্যসূচীত গণনাকাৰী বিষয়াসকলক যাৱতীয় প্ৰশিক্ষণ প্ৰদান কৰা হয়।

শিৱসাগৰ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত আজিৰে পৰা তিনিদিনীয়াকৈ এই প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হৈছে। জিলা আয়ুক্ত তথা মুখ্য লোকপিয়ল বিষয়া মৃদুল যাদৱে মুকলি কৰা এই কাৰ্যসূচীত লোকপিয়ল সঞ্চালকালয়ৰ বিষয়াসকলে ভাৰপ্ৰাপ্ত বিষয়া, গণনাকাৰী বিষয়াসকলক প্ৰশিক্ষণ প্ৰদান কৰে।

০০০০

বিধি বলবৎকাৰী সঞ্চালকালয়ৰ গুৱাহাটী আঞ্চলিক কাৰ্যালয়ে আই পি এল ক্ৰিকেটত বৃহৎ পৰিমাণৰ অবৈধ জুৱাৰ ঘটনা সন্দৰ্ভত কলাধন বৈধকৰণ প্ৰতিৰোধ আইনৰ অধীনত যোৱা নিশা গুৱাহাটী, তিনিচুকীয়া আৰু নতুন দিল্লীৰ কেইবাটাও স্থানত অভিযান চলায়। এই অভিযানত সঞ্চালকালয়ে ৩ খন বিলাসী বাহন, প্ৰায় ১৩ লাখ টকা নগদ ধন আৰু মোবাইল ফোনসহ অন্যান্য বৈদ্যুতিক সামগ্ৰী জব্দ কৰে। বিধি বলবৎকাৰী সঞ্চালকালয়ে আই পি এল জুৱাত ব্যৱহৃত কেইবাটাও বেংক একাউণ্টৰ লেনদেনো বন্ধ কৰি দিয়ে।

০০০০

ৰাজ্য চৰকাৰে সমগ্ৰ শিক্ষা অসমৰ ঠিকা ভিত্তিক শিক্ষক সকলক মুখ্যমন্ত্ৰী লোকসেৱা আৰোগ্য সেৱা যোজনাৰ অধীনলৈ অনাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। সমগ্ৰ শিক্ষা মিছন সঞ্চালক ওম প্ৰকাশে ঠিকা ভিত্তিক শিক্ষক সকলৰ বাবেও নগদ ধন বিহীন চিকিৎসা সুবিধা প্ৰদান সন্দৰ্ভত সকলো জিলাৰ মিছন সমন্বয়কলৈ আজি পত্ৰ প্ৰেৰণ কৰে। পত্ৰত উল্লেখ কৰা অনুসৰি মুখ্যমন্ত্ৰী লোকসেৱা আৰোগ্য যোজনাৰ অধীনত চিকিৎসা সেৱাৰ সুবিধা লোৱাৰ বাবে আগ্ৰহী শিক্ষক সকলৰ পৰা সন্মতি পত্ৰ লব লাগিব। একেদৰে শিক্ষক সকলেও আৰোগ্য যোজনাৰ অধীনত ধন কৰ্তনৰ বাবে অনুমতি দিব লাগিব। মিছন সঞ্চালত ওম প্ৰকাশে ১৫ জুনৰ ভিতৰত ঠিকা ভিত্তিক শিক্ষক সকলৰ পৰা এই যোজনাত অন্তভূৰ্তিৰ বাবে যাৱতীয় অনুমতি পত্ৰ সংগ্ৰহ কৰিবলৈ কৈছে।

০০০০

মৰিগাওঁ জিলাৰ নগাওঁ -মৰিগাওঁ পথত আজি অতিৰিক্ত জিলা আয়ুক্ত নীতিশা বৰাৰ তত্বাৱধানত পথ সুৰক্ষা সজাগতা অভিযান অনুষ্ঠিত হয়। জনসাধাৰণক পথ সুৰক্ষাৰ নীতি নিয়ম সন্দৰ্ভত সজাগ কৰি তোলাৰ উদ্দেশ্যে আয়োজন কৰা এই কাৰ্যসূচীত জিলা পথ সুৰক্ষা সমিতি, আৰক্ষী, পৰিবহন বিভাগ তথা জিলা প্ৰশাসনৰ বিষয়াসকলে অংশগ্ৰহণ কৰে। কাৰ্যসূচীৰ অংশ হিচাপে **মই পথ সুৰক্ষাৰ নীতি-নিয়ম মানি চলিম** শীৰ্ষক স্বাক্ষৰ অভিযানো ৰূপায়ণ কৰা হয়। সজাগতা কাৰ্যসূচীৰ লগতে হেলমেট নিপিন্ধাকৈ বাহন চলোৱা আৰু সুৰাপান কৰি গাড়ী চলোৱাৰ বিৰুদ্ধেও অভিযান চলোৱা হয়। বিষয়াসকলে চালকসকলক নিজৰ লগতে আনৰ সুৰক্ষাৰ স্বাৰ্থত যান-বাহন আইন কঠোৰভাৱে মানি চলিবলৈ সকলোকে আহ্বান জনায়।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি নিউ চণ্ডিগড়ত অনুষ্ঠিত এলিমিনেটৰ খেলত ৰাজস্থান ৰয়েলছে - চানৰাইজাৰ্চ হায়দৰাবাদক জয়ৰ বাবে ২৪৪ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। ৰাজস্থানে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮ উইকেটৰ বিনিময়ত ২৪৩ ৰান সংগ্ৰহ কৰে। দলৰ হৈ বৈভৱ সুৰ্যবংশীয়ে ২৯ টা বলত ৯৭ ৰান সংগ্ৰহ কৰে।

০০০০

ঃঃ সমাপ্ত ঃঃ